জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৩১৩/২০২২**

# বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া তথা শ্ৰীমন্ত শংকৰদেৱ বঁটা প্ৰাপক বশিষ্ঠ দেৱশৰ্মাৰ বিয়োগত মুখ্যমন্ত্ৰীৰ গভীৰ শোক প্ৰকাশ

**বুঢ়া সত্ৰীয়াগৰাকীৰ শেষকৃত্য সম্পূৰ্ণ ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰিবলৈ প্ৰশাসনক নিৰ্দেশ মুখ্যমন্ত্ৰীৰ**

**দিছপুৰ, ২২ অক্টোবৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া তথা শ্ৰীমন্ত শংকৰদেৱ বঁটা প্ৰাপক বশিষ্ঠ দেৱশৰ্মাৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে।

বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া বশিষ্ঠ দেৱশৰ্মা এক অনুষ্ঠান সদৃশ আছিল বুলি মন্তব্য কৰি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ একান্ত অনুগামী এইগৰাকী সাধকে ৰাজ্যৰ আধ্যাত্মিক আৰু সাংস্কৃতিক জীৱনধাৰালৈ অনৱদ্য অৰিহণা আগবঢ়াইছিল। সত্ৰীয়া সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰ সাধনত আজীৱন জড়িত হৈ থাকি বুঢ়া সত্ৰীয়াগৰাকীয়ে ৰাজ্যৰ সমাজ-জীৱনলৈ যি অনৱদ্য অৱদান আগবঢ়াই গৈছে সেয়া চিৰস্মৰণীয় হৈ থাকিব বুলিও মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে সত্ৰীয়া সংস্কৃতিৰ একনিষ্ঠ সাধকগৰাকীয়ে ৰিক্ত কৰা এই স্থান অপূৰণীয় হৈ ৰ'ব। তেওঁ বুঢ়া সত্ৰীয়া বশিষ্ঠ দেৱশৰ্মাৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈও গভীৰ সমবেদনা জ্ঞাপন কৰে।

মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে শ্ৰীমন্ত শংকৰদেৱ বঁটা প্ৰাপক বুঢ়া সত্ৰীয়াগৰাকীৰ শেষকৃত্য সম্পূৰ্ণ ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰিবলৈ প্ৰশাসনক নিৰ্দেশ দিয়ে।

**নিঃকুঃদাঃ**
**২২/১০/২০২২**